# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-07-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

উৰিয়াম ঘাটৰ ৰেঙমা সংৰক্ষিত বনাঞ্চলত অহা ২৯ জুলাইৰ পুৱাৰ পৰা উচ্ছেদ চলোৱা হ'ব। বন বিভাগে অঞ্চলটোৰ সোণাৰীবিল, মধুপুৰ, খেৰবাৰী, পিঠাঘাটকে ধৰি গাঁওসমূহলৈ গৈ কাইলৈৰ ভিতৰত অঞ্চলটো খালী কৰি দিবলৈ জাননী দিছে। ইয়াৰ আগেয়ে প্ৰশাসনে জাৰি কৰা জাননীত দখল কৰা লোকসকলক সাত দিনৰ ভিতৰত এই স্থান খালী কৰিবলৈ সময়সীমা বান্ধি দিয়া হৈছিল। কেইবাটাও পৰ্যায়ত হ'বলগীয়া এই উচ্ছেদ অভিযানত প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰা হ'ব। জাননী জাৰি কৰাৰ পাছতে অঞ্চলটোৰ পৰা প্ৰায় ৭০ শতাংশ লোক আঁতৰি গৈছে যদিও একাংশ লোক এতিয়াও সেই স্থানতে আছে। মেৰাপানীৰ সমীপৰ দুই নম্বৰ নেঘেৰীবিল গাঁৱত উচ্ছেদ চলোৱাৰ বাবেও প্ৰশাসন সাজু হৈছে। গাঁওখনৰ ২০৫ টা পৰিয়ালে বনভূমি দখল কৰি থকাৰ তথ্য লাভ কৰি গোলাঘাট জিলা বন বিভাগে সাত দিনৰ ভিতৰত ঠাইখন খালী কৰিবলৈ যোৱা ২৪ জুলাইত জাননী জাৰি কৰিছিল।

ইপিনে, নগাঁও জিলাৰ হাতীচোং মৌজাৰ দুটা স্থানত প্ৰশাসনে উচ্ছেদ চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰি দখলকাৰীলৈ জাননী জাৰি কৰিছে। এই জাননীৰ জৰিয়তে লোকসকলক সংৰক্ষিত বনভূমি খালী কৰি দিবলৈ নিৰ্দেশ দিয়া হৈছে। নগাঁও সদৰ ৰাজহ চক্ৰ বিষয়াই সংশ্লিষ্ট অঞ্চলৰ বাসিন্দাসকললৈ জাৰি কৰা জাননী অনুসৰি হাতীচোং মৌজাৰ গৰৈমাৰী পথাৰ কিচামতৰ ৭২ নম্বৰ চৰকাৰী গ্ৰেজিং ৰিজাৰ্ভৰ লগতে বগৰীগুৰি পাম কিচামতৰ ৬২ আৰু ৬৩ নম্বৰ চৰকাৰী গ্ৰেজিং ৰিজাৰ্ভত উচ্ছেদ চলোৱাৰ বাবে প্ৰশাসনে সিদ্ধান্ত লৈছে। একেদৰে যোৱা ৫ জুলাইত ধিং ৰাজহচক্ৰ বিষয়াই আলি টাঙনি মৌজাৰ বালিকতিয়া কিছামতৰ ভূমিও সাদিনৰ ভিতৰত দখলমুক্ত কৰিবলৈ জাননী জাৰি কৰিছিল। ০

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণীৰ মন কী বাতৰ ১২৪ সংখ্যক খণ্ডত কাজিৰঙাৰ পক্ষী সমীক্ষাৰ বিষয়ে উল্লেখ কৰে। প্ৰথমবাৰৰ বাবে হোৱা এই সমীক্ষাত কাজিৰঙাত ৪৩ টা প্ৰজাতিৰ পক্ষী থকাৰ বিষয়ে জানিব পৰা গৈছে। তদুপৰি শ্ৰীমোদীয়ে বায়ু সেনা বাহিনীৰ গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাৰ মহাকাশৰ পৰা সুকলমে প্ৰত্যাৱৰ্তন কৰাৰ বিষয়েও উল্লেখ কৰে।

০০০০

৫ দিনীয়া ভ্ৰমণসূচীৰে অসম আৰু মেঘালয়লৈ অহা আকাশবাণীৰ সঞ্চালক প্ৰধান ড০ প্ৰজ্ঞা পালিৱাল গৌড় আজি নতুন দিল্লীলৈ উভতি যাব। কালি সঞ্চালক প্ৰধানগৰাকীয়ে গুৱাহাটীত অসমৰ আকাশবাণী কেন্দ্ৰসমূহৰ কাম-কাজৰ পৰ্যালোচনা কৰে। ড০ গৌড়ে কয়, যে অনুষ্ঠানসূচীত নতুনত্ব আনি নতুন প্ৰজন্মক আকৰ্ষিত কৰিব পাৰিলেহে আকাশবাণীৰ প্ৰাসংগিকতা থাকিব।

ইয়াৰ আগেয়ে সঞ্চালক প্ৰধানগৰাকীয়ে মেঘালয়ৰ আকাশবাণী কেন্দ্ৰসমূহৰ কাম-কাজৰ পৰ্যালোচনা কৰে। কালি পুৱাৰ ভাগত তেওঁ কামাখ্যা মন্দিৰলৈ গৈ দেৱীৰ আশীষ গ্ৰহণ কৰে। আকাশবাণী গুৱাহাটীয়ে আজি সন্ধিয়া সাত বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত সঞ্চালক প্ৰধানগৰাকীৰ গুৱাহাটীত বৈঠক সন্দৰ্ভত এটা অনুষ্ঠান প্ৰচাৰ কৰিব।০০০০০০

০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ অসম-মেঘালয় সীমান্তত কালি নিশা কোনো দুৰ্বৃত্তই সীমান্তৰ খুটা ভাঙি পেলোৱাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। উল্লেখযোগ্য যে বিগত কেইদিনমান ধৰি ৰাজ্যৰ সীমান্তৱৰ্তী অঞ্চলৰ কৃষি পথাৰৰ ধান খেতি কোনো দুৰ্বৃত্তই তহিলং কৰা বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। এনে ঘটনাৰ পৰিপ্ৰেক্ষিতত অসম-মেঘালয় সীমান্তত চেপা উত্তেজনা বিৰাজ কৰিছে। ০০০০

০০০০

বাক্সা জিলাৰ বৰমাৰ সমীপৰ খাৰুৱাত কালি বি পি এফ দলৰ ৯০ সংখ্যক কেন্দ্ৰীয় কাৰ্য নিৰ্বাহক সভা অনুষ্ঠিত হয়। এই সভাত বি পি এফৰ সভাপতি হাগ্ৰামা মহিলাৰীৰ উপস্থিতিত বিজেপিৰ কোকৰাঝাৰ জিলাৰ প্ৰাক্তন সভাপতি শিৱনাথ ব্ৰহ্মই বিজেপি ত্যাগ কৰি বি পি এফত যোগ দিয়ে। পৰিষদীয় নিৰ্বাচনৰ পূৰ্বে বি পি এফ পূৰ্বতকৈ শক্তিশালী ৰূপত থাকিব বুলি শ্ৰীমহিলাৰীয়ে আশা প্ৰকাশ কৰে।

০০০০

ডিব্ৰুগড়ৰ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় তথা বুৰঞ্জী আৰু পুৰাতত্ব সঞ্চালকালয়ে যুটীয়াভাৱে শ্ৰীশ্ৰীমায়ামৰা দিনজয় সত্ৰত কালিৰে পৰা ৫ দিনীয়াকৈ পাণ্ডুলিপি সংৰক্ষণ আৰু পুনৰ প্ৰস্তুতকৰণৰ কৰ্মশালাৰ আয়োজন কৰিছে। সত্ৰখনত সংৰক্ষিত আপৰুগীয়া সাঁচিপাতৰ পুথিসমূহ বিজ্ঞানসন্মতভাৱে অবিকল ৰূপত সংৰক্ষণৰ লক্ষ্যৰে এই ব্যৱস্থা লোৱা হৈছে। অহা ৩০ জুলাইলৈকে হ'বলগীয়া কৰ্মশালা কালি ক্ৰীড়া বিশ্ববিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত উপাচাৰ্য্য ড০ জীতেন হাজৰিকাই উদ্বোধন কৰে। বুৰঞ্জী আৰু পুৰাতত্ব বিভাগৰ ভাৰপ্ৰাপ্ত সঞ্চালক ড০ সংগীতা গগৈয়ে এই কৰ্মশালাত সাঁচিপাতৰ পুথিসমূহ কিদৰে সংৰক্ষণ কৰিব পাৰি সেই বিষয়ে ব্যাখ্যা কৰে। কৰ্মশালাত ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ মায়ামৰা ধৰ্মীয় নামঘৰৰ পৰা বাচনি কৰা দুজনকৈ আৰু বিভিন্ন মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০

ৰাজ্যত বিগত দুমাহত বৰষুণৰ পৰিমাণ প্ৰায় ৪৪ শতাংশ হ্ৰাস পাইছে। গুৱাহাটীৰ বৰঝাৰস্থিত বতৰ বিজ্ঞান কেন্দ্ৰৰ তথ্য অনুসৰি জুন-জুলাইত সাধাৰণতে ৭৮৮ দশমিক ৮ মিলিমিটাৰ বৰষুণ হয় যদিও এইবেলি ৪৪৪ দশমিক ১ মিলিমিটাৰহে বৰষুণ হৈছে। সেই অনুসৰি এই সময়ছোৱাত বৰষুণৰ পৰিমাণ ৪৪ শতাংশ হ্ৰাস পাইছে। জলবায়ুৰ অভাৱনীয় পৰিৱৰ্তনৰ ফলত অকল অসমেই নহয় বৰং সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ

.....................................